# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বহুমুখী বিকাশৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ জিলাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত ১৪০ কোটি ৬৯ লাখ টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ ১০ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰা আৰৰ্তভৱনৰ আজি উদ্বোধন কৰে। তেওঁ লগতে ১৫ কোটি ৫৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা বিশ্বনাথৰ স্বয়ংক্ৰিয় যান-বাহন উপযোগীতা পৰীক্ষা কেন্দ্ৰটো মুকলি কৰে। দক্ষিণ-পূব এছিয়াৰ এয়া প্ৰথমটো এনে ধৰণৰ কেন্দ্ৰ আৰু যোৰহাটত শীঘ্ৰেই আন এটা কেন্দ্ৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিশ্বনাথৰ এই কেন্দ্ৰটোৱে জিলাখনৰ লগতে শোণিতপুৰ আৰু লখিমপুৰ জিলাৰ বাবে সেৱা আগবঢ়াব। ইয়াৰ ফলত জিলাকেইখনত মেনুৱেল ফিটনেছ পৰীক্ষা সম্পূৰ্ণৰূপে নোহোৱা হ'ব। ৰূপান্তৰমুখী এই পদক্ষেপে গাড়ীৰ গৰাকীসকলক সহায় কৰিব বুলিও ড০ শৰ্মাই মন্তব্য কৰে।

ড০ শৰ্মাই আজি এক কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা জনজাতীয় জিৰণি গৃহ আৰু অতিৰিক্ত সহকাৰী আয়ুক্তৰ আবাসগৃহটো উদ্বোধন কৰে। ৯১ লাখ টকা ব্যয়ৰে এই গৃহটো নিৰ্মাণ কৰা হৈছে।

দুদিনীয়া ভ্ৰমণসূচীপে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে বিশ্বনাথৰ বৰগাং নিউ কেটেলা খেলপথাৰত আত্মসহায়ক গোটৰ অৰ্হতাসম্পন্ন মহিলাক উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান কৰিব। মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, অশোক সিংহল, সাংসদ ৰণজিৎ দত্ত আৰু বিধায়ক দিগন্ত ঘাটোৱাৰো উপস্থিত থাকিবলগীয়া এই অনুষ্ঠানত বিহালী বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৩৭৫ গৰাকী মহিলালৈ প্ৰথম পৰ্যায়ৰ চেক প্ৰদান কৰা হ'ব। পৰ্যায়ক্ৰমে অসমৰ আন আন বিধানসভা সমষ্টিসমূহতো মহিলাসকলক এই চেক প্ৰদান কৰা হ'ব।

০০০০০

বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো আজি উলহ-মালহেৰে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন কৰা হৈছে। দিনৰ ভাগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ঈদ উপলক্ষে ৰাজ্যৰ মছজিদ আৰু ঈদগাহসমূহ আটকধুনীয়াকৈ সজাই তোলা হৈছে। লগতে অতিথিক আপ্যায়নৰ বাবে ইছলামধৰ্মী লোকসকলে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰিছে। গুৱাহাটী মহানগৰীৰ ফাঁচী বজাৰ, গণেশগুৰি, হাতীগাঁওকে ধৰি বিভিন্ন অঞ্চলৰ বজাৰসমূহত ঈদৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে কালি জনসাধাৰণে ভিৰ কৰা পৰিলক্ষিত হয়।

রাজ্যৰ অন্যান্য জিলাৰ লগতে বৰপেটা জিলাতো আজি পুৱাৰ ভাগত সমূহীয়া নামাজ আদায় কৰা হয়। জিলাখনৰ ভেল্লা, কলগাছিয়া, হাউলী, মল্লিয়া, কয়াকুছি আদি অঞ্চলত অনুষ্ঠিত ঈদৰ সমূহীয়া নামাজত হাজাৰ হাজাৰ ইছলামধৰ্মী লোকে অংশগ্ৰহণ কৰে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিতৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। কাছাৰ আৰু শ্ৰীভূমি জিলাতো আজি উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে জনসাধাৰণে ঈদ উদযাপন কৰে। শ্ৰীভূমি জিলাত নামাজৰ লগতে শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হয়। কাছাৰ জিলাতো ইছলামধৰ্মী লোকসকলে উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিতৰ উদযাপন কৰিছে। ইপিনে ধুবুৰী, গোৱালপাৰাকে ধৰি অন্যান্য জিলাসমূহতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে।

ooooo

বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ওপজা দিনটো আজি সমগ্ৰ ৰাজ্যজুৰি ছাত্ৰ দিৱস হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আজি কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা প্ৰথম বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্মাৰক বক্তৃতানুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে – শান্তিৰ আৰ্হিস্বৰূপ, বড়োলেণ্ডৰ ৰূপান্তৰ আৰু ভৱিষ্যতৰ লক্ষ্য শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা আৰু নাগালেণ্ড বিশ্ববিদ্যালয় উপাচাৰ্য সমুদ্ৰগুপ্ত কাশ্যপ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

নিখিল বড়ো ছাত্ৰ সন্থাৰ তৰফৰ পৰা কোকৰাঝাৰ জিলাৰ দতমাস্থিত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সমাধিস্থলীৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

তামুলপুৰ জিলাৰ গোৰেশ্বৰতো আজি ছাত্ৰ দিৱস পালন কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ জিলা সমিতি আৰু শুক্লাই ছেৰফাং আঞ্চলিক সমিতিৰ উদ্যোগত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আয়োজিত কাৰ্যসূচীত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰনেন্দ্ৰ নাৰ্জাৰী, গায়িকা সুলেখা বসুমতাৰী, অভিনেতা ফৈলাজে বৰগয়াৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে দূৰদৰ্শী আৰু প্ৰতিভাসম্পন্ন উপেন্দ্ৰনাথ ব্ৰহ্মই পদাৰ্থ বিদ্যাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত কৰ পৰিদৰ্শকৰ চাকৰি ত্যাগ কৰি বড়ো জনগোষ্ঠীয় আন্দোলনক নেতৃত্ব দিছিল। জনগোষ্ঠীটোৰ আশা-আকাংক্ষা আৰু সমস্যাসমূহ দূৰ কৰাৰ বাবে তেওঁ গণতান্ত্ৰিক পন্থাৰে প্ৰয়াস চলাইছিল।

ooooo

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে বিজেপি, মিত্ৰদল অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আজিও ব্যাপক প্ৰচাৰ চলায়। জলসম্পদ মন্ত্ৰী তথা বিজেপিৰ নেতা পীযুষ হাজৰিকাই আজি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰী হাজৰিকাই বামুণীগাঁও পৰিষদীয় সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অজিত ৰাভা, বোন্দাপাৰা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী মেঘালী ৰাভা আৰু গোবৰ্ধন পৰিষদৰ জ্যোতিষ চন্দ্ৰ ৰাভাৰ হৈ প্ৰচাৰ চলায়। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনা কংগ্ৰেছ

দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। তৃণমূল কংগ্ৰেছ দলেও আজি নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

সমাপ্ত